# এলে বেলে MBA পাছ

দেৱজিৎ ভূঞা





## ত্ৰয়োদশ অধ্যায়

সৰুতে আমি মাৰ মুখত সদায়ে এষাৰ কথা শুনিছিলো— 'বাছি খাবা, জাগি শুবা, তাৰ ফলাফল পিচত পাবা।' তেতিয়া আমি তাৰ মৰ্মাৰ্থ উপলব্ধি কৰিব পৰা নাছিলো আৰু গুৰুত্ব উপলব্ধি কৰিব পৰা নাছিলো। কিন্তু এতিয়া বুজি পাওঁ যে আমি যদি ডেকা অৱস্থাৰ পৰাই কি খোৱা উচিত আৰু কি খোৱা অনুচিত বিচাৰ কৰি আমাৰ খাদ্যাভ্যাস কৰিলোহেঁতেন তেতিয়াহ'লে পঞ্চাশ বছৰত প্ৰেছাৰ, ছুগাৰ, অ'বেছিটি আদি ৰোগৰ বাবে ডাক্তৰৰ চেম্বাৰৰ মুখত বোন্দাপৰ দি বহি থাকিব নালাগিলহেঁতেন। সেই সময়ত গাঁও বা সৰু চহৰবোৰত চোৰ-ডকাইতৰ অতিশয় প্ৰাদুৰ্ভাৱ আছিল আৰু সেয়ে হয়তো সাধাৰণ অৰ্থত জাগি শোৱাৰ কথা কৈছিল। কিন্তু আচলতে গোটেই কথাষাৰৰ অৰ্থ হ'ল যে আমি দূৰদৃষ্টিসম্পন্ন হ'ব লাগে আৰু আমাৰ আজিৰ খাদ্যই যেনেদৰে আমাৰ ভৱিষ্যৎ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলাব সেই কথা উপলব্ধি কৰিব লাগে। মেনেজমেণ্টৰ শিক্ষাৰ্থী বা এজন মেনেজাৰ দূৰদৃষ্টিসম্পন্ন আৰু এক ভিছন থকা অপৰিহাৰ্য। ভিছন অবিহনে কেতিয়াও কোনো এজন ভাল মেনেজাৰ বা নেতা হ'ব নোৱাৰে।

এসময়ত এখন নদীৰ পাৰৰ এখন হাবিত এটা কণা হৰিণা পহু আছিল। পহুটোৱে নদীৰ পাৰত বিচৰণ কৰি ঘাঁহ-বন খাই থাকোতে সদায়ে ভাল চকুটো হাবিখনৰ ফালে ৰাখে আৰু বেয়া চকুটো নদীৰ ফালে ৰাখে। এইদৰে কিছুদিন যোৱাৰ পিচত পহুটোৱে ভাবিলে যে নদীৰ ফালৰ পৰা বিপদ নাহে আৰু সেয়ে সি হাবিৰ ফালে ভাল চকুটো দি সদায়ে নিশ্চিন্ত মনে চলি যাব পাৰিব। এদিন নদীখনেৰে এখন নাৱত এজন চিকাৰী আহিল। নদীৰ পাৰত অকলশৰে নিৰ্ভয়ে চৰি থকা পহু এটা দেখি চিকাৰীজনে নাওখন নদীৰ কাষ চপাই আনিলে আৰু শৰ মাৰি পহুটো বধ কৰিলে। মৰাৰ আগতে পহুটোৱে ভাবিলে— মই যিফালে বিপদ আহিব বুলি ভাবি আছিলো, সেইফালে কোনোদিনেই বিপদ নাহিল অথচ মই নিৰাপদ বুলি ভবা ফালেৰেই বিপদ আহি মোৰ মৃত্যু ঘটালে। এজন দূৰদৰ্শী মেনেজাৰে ভৱিষ্যতে হ'ব লগা বা আহিব পৰা বিপদসমূহ পৰ্যালোচনা কৰি সময়মতে প্ৰতিব্যৱস্থা ল'বলৈ সক্ষম হ'ব লাগিব।

এসময়ত এটা কণা ঘোঁৰা আছিল। এদিন খাদ্যৰ সন্ধানত ঘূৰি ফুৰি কণা ঘোঁৰাটোৱে বাট হেৰুৱাই এখন ডাঠ হাবিত সোমাই পৰিল। ৰাতি হোৱাৰ লগে লগে ঘোঁৰাটোৱে একো নেদেখা হ'ল আৰু কি কৰিম-নকৰিম বুলি ভাবি থাকোতেই এটা ফেঁচাই মাত লগাই সুধিলে— বন্ধু, ৰাস্তা হেৰুৱাই ঘূৰি আছা নেকি? ঘোঁৰাটোৱে উত্তৰ দিলে— হয়, মই বাট হেৰুৱাই হাবিৰ মাজ পালোহি। ফেঁচাটোৱে উত্তৰ দিলে— মই





তোমাক ৰাস্তা দেখুৱাই যাম। ৰাতিৰ পোহৰত ফেঁচাই ভালদৰে দেখে আৰু সেয়ে ফেঁচাৰ নিৰ্দেশমতে খোজকাঢ়ি ঘোঁৰাটোৱে বাট বুলিবলৈ ধৰিলে। কিছুদূৰ এইদৰে যোৱাৰ পিচত লাহে লাহে ফেঁচাৰ ওপৰত ঘোঁৰাৰ বিশ্বাস বাঢ়ি গ'ল। ফেঁচাৰ নিৰ্দেশমতে গৈ থাকিল। লাহে লাহে ৰাতি পুৱাবলৈ ধৰিলে। আৰু পোহৰ অহাৰ লগে লগে ফেঁচাটোৱে নেদেখা হ'ল। নিজৰ এই অৱস্থাৰ কথা ক'বলৈ লাজ পাই ফেঁচাটোৱে ঘোঁৰাটোক চকুৰে নেদেখাকৈয়ে বাটৰ কথা ক'বলৈ ধৰিলে। ফেঁচাৰ কথামতে আৰু আগবাঢ়ি যাওঁতেই এটা দ খাৱৈত ঘোঁৰাটো পৰি গ'ল আৰু তাৰ পৰা উঠিব নোৱাৰি মৃত্যুমুখত পৰিল। মেনেজাৰ এজনে তেওঁৰ কাম-কাজত কাক কিমানদূৰ বিশ্বাস কৰিব লাগে, তাক কিমান দায়িত্ব দিয়া উচিত আদি ভালদৰে বুজি উঠিব লাগিব আৰু নিজৰ কাৰ্যপন্থা ধাৰ্য কৰি সেইদৰে আগবাঢ়ি যাব লাগিব। নহ'লে কণা ঘোঁৰাটোৰ দৰে বিপদত পৰিবলগা হোৱাতো ধ্ৰুৱপ।

মেনেজাৰ এজনৰ দায়িত্ব হ'ল সকলোৰে কথাবোৰ শুনা আৰু তাৰ পিচত নিজৰ বিৱেক আৰু বুদ্ধিৰে সকলোতকৈ ভাল সিদ্ধান্তটো লৈ কামত আগবাঢ়ি যোৱা। আমি সকলোৱে সৰুতে পঢ়া গাধৰ সাধুটো মেনেজাৰ এজনে সদায়ে মনত ৰখা উচিত। এসময়ত এজন খেতিয়কে তেওঁৰ পুতেকৰ সৈতে নিজৰ গাধ এটা বজাৰত বেচিবৰ বাবে লৈ গৈছিল। ৰাস্তাতে এজন মানুহে তেওঁলোকক দেখা পালে আৰু ক'লে— আপোনালোক কেনেধৰণৰ মানুহ। ইমান নোদোকা গাধ এটা লগত থকা সত্ত্বেও দুয়ো বাপেক পুতেক খোজকাঢ়ি গৈছে। খেতিয়কজনে ভাবিলে কথাটো হয়। সেয়ে তেওঁ পুতেকক ক'লে— বাপু তই গাধত উঠ আৰু মই খোজ লওঁ। বাপেকৰ কথাত পুতেক গাধৰ পিঠিত উঠিল। আৰু দুয়ো বজাৰলৈ আগবাঢ়িল। অলপ দূৰ যোৱাৰ পিচতে এজন মানুহে তেওঁলোক দেখি ক'বলৈ ধৰিলে— কি যে দিন-কাল পৰিল। বুঢ়া বাপেকক খোজকঢ়াই ল'ৰাটোৱে আৰামত ঘোঁৰাত বহি গৈ আছে। ঘোৰ কলি কাল আহিল। কথাখিনি শুনি খেতিয়কজনে পুতেকক ক'লে— বাপু, মানুহজনে কি ক'লে শুনিলিনে? তই গাধৰ পৰা নাম আৰু মই উঠো। এইবুলি কৈ পুতেকক গাধৰ পৰা নমাই বাপেক গাধৰ পিঠিত উঠিল। অলপ দূৰ যোৱাৰ পিচত মাইকী মানুহ এজনীয়ে বাপেক-পুতেকক দেখি মন্তব্য দিলে— কি যে দিন-কাল হ'ল। ফুল কুমলীয়া ল'ৰাটোক ৰ'দত খোজকঢ়াই বুঢ়াই আৰামত গাধৰ পিঠিত ফষ্টি মাৰি উঠি গৈছে। নিজৰ ল'ৰাটোলৈ অলপো মৰম নাইনে। মাইকী মানুহজনীৰ কথা শুনি খেতিয়কজনে পুতেকক ক'লে— বাপু তয়ো গাধৰ পিঠিত উঠ। দুয়ো এইদৰে কিছুদূৰ যোৱাৰ পিচত আন এজন মানুহে তেওঁলোকক লগ পালে। মানুহজনে খেতিয়কজনলৈ চাই সুধিলে— এইটো আপোনাৰ নিজৰ গাধনে আন কাৰোবাৰ? খেতিয়কজনে উত্তৰ দিলে যে সেইটো তেওঁৰ নিজৰে গাধ। মানুহজনে তেতিয়া খেতিয়কলৈ চাই ক'লে— আপুনি ইমান নিৰ্দয়নে। দুটাকৈ মস্ত মানুহ সৰু গাধ এটাৰ ওপৰত উঠি আহিছে। এতিয়া আপোনালোকেহে তাক কান্ধত তুলি নিয়া উচিত। মানুহজনৰ কথাত খেতিয়কজনে পুতেকক ক'লে— বাপু, আমি গাধৰ পৰা নামো আৰু ইয়াক বাঁহ এডালেৰে সাঙী কৰি কান্ধত তুলি লৈ যাওঁ। কথামতে কাম। খেতিয়ক আৰু পুতেকে এডাল বাঁহ বিচাৰি সাঙী কৰি গাধটো লৈ যাবলৈ ধৰিলে। গাধটো লৈ এখন সৰু ঠেক দলং পাৰ হ'ব খোজোতেই হঠাৎ এটা শব্দত ভয় খাই গাধটোৱে ঠেং-ভৰি আছাৰি দিয়াত খেতিয়ক আৰু পুতেকৰ কান্ধৰ পৰা ওলাই দলঙৰ তলত পৰি গাধটো মৰি থাকিল।

মেনেজাৰ এজনে যদি সকলোৰে কথা শুনি সকলোকে সন্তুষ্ট কৰিবৰ বাবে কাম কৰে আৰু নিজৰ সিদ্ধান্ত পলে পলে সলনি কৰে তেওঁৰ অৱস্থাও খেতিয়কজনৰ দৰে হ'ব। মেনেজাৰ এজনৰ দায়িত্ব আৰু কৰ্তব্য হ'ল যে সকলো দিশ চালি-জাৰি চাই সকলোতকৈ ভাল আৰু উপযুক্ত সিদ্ধান্ত লোৱা আৰু সেই সিদ্ধান্তত বাহাল থাকি কাম কৰা।

মেনেজাৰ বা মেনেজমেণ্টৰ কাম হ'ল সকলো দিশ চালি-জাৰি চাই সকলোৰে মতামত শুনি সকলোতকৈ ভাল সিদ্ধান্তত উপনীত হোৱা আৰু কামত আগবাঢ়ি উদ্যোগ বা প্ৰতিষ্ঠানটোৰ প্ৰডাকচন, প্ৰডাক্টিভিটি আৰু প্ৰ'ফিটেবিলিটি বঢ়োৱাৰ লগতে সকলোকে সেৱা আগবঢ়োৱা। মেনেজাৰ এজনৰ দৃষ্টি অন্ধৰ হাতী দৰ্শনৰ দৰে হ'লে নহ'ব। তেওঁ সম্পূৰ্ণ হাতীটো দেখা পাইহে হাতীটোৰ বৰ্ণনা দিব লাগিব। ■

